Total No. of Printed Pages—23

**6 SEM TDC INTX 1 (G) N/O**

**2020**

COMMERCE

( General )

Course : 601

**( Income Tax )**

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

( New Course )

*Full Marks* : 80

*Pass Marks* : 24

1. *(a)* Fill in the blanks : 1×4=4

*(i)* A company cannot enjoy the status of ____.

*(ii)* Agricultural income from land situated in India is fully exempted under Section ____ of the Income-tax Act.

City Compensatory Allowance—₹ 1,000 p.m.

Conveyance Allowance—₹ 2,000 p.m.

She claims to have spent 75% of this in the performance of her duties. From 01.08.2019, she joined Sunrise Ltd. at Hyderabad. Her salary particulars from her new employer are as follows :

Basic Pay—₹ 54,000 p.m.

Dearness Allowance—₹ 27,000 p.m.

City Compensatory Allowance—₹ 1,400 p.m.

House Rent Allowance—₹ 16,000 p.m.
(She pays ₹ 24,000 p.m. as rent)

She and her both employers were contributing @ 14% of salary towards Recognized Provident Fund.

Compute her salary income for the Assessment Year, 2020–21, if her salary is due on the last date of the month. 14

*Or*

(b) Explain in brief the following items as per the Income-tax Act, 1961 : 3½×4=14

(i) Unrecognized Provident Fund

(ii) Commuted value of pension





(iii) Leave encashment

(iv) Deduction out of gross salary (Section 16)

6. (a) Mr. Jayanta Dutta is the owner of a big house consisting of three equal and independent units. Unit–I is let out at a rent of ₹ 8,000 p.m. Unit–II is being used in owner's own business, whereas Unit–III is being used for his own residence. Other particulars of the house are as follows :

| | ₹ |
|---|---|
| Municipal Valuation | 1,50,000 |
| Fair Rental Value | 1,95,000 |
| Standard Rent as per the Rent Control Act | 1,86,000 |
| Municipal Taxes | 15,000 |
| Repairs | 12,000 |
| Interest on Borrowed Money | 60,000 |

Unit–I remained vacant for two months and one month's rent could not be realized from a tenant. Mr. Dutta's income from his business without debiting any expenditure related to own house being used in his own business is ₹ 2,00,000.

Determine Mr. Jayanta Dutta's income from house property for the Assessment Year, 2020–21. 14

*Or*

*(b)* State the provisions relating to computation of 'Income from House Property' under different categories of house property as per the Income-tax Act, 1961. 14





[ ASSAMESE VERSION ]

1. *(a)* খালী ঠাই পূৰণ কৰা : 1×4=4

*(i)* এটা কোম্পানীয়ে ____ স্থিতি উপভোগ কৰিব নোৱাৰে।

*(ii)* আয়কৰ আইনৰ ____ নং ধাৰা অনুসৰি ভাৰতত স্থিত কৃষিভূমিৰ পৰা হোৱা আয় সম্পূৰ্ণভাৱে কৰমুক্ত।

*(iii)* কোনো এটা প্ৰাপ্তিক ____ ৰূপে আখ্যায়িত কৰিব হ'লে নিয়োগকৰ্তা আৰু কৰ্মচাৰীৰ সম্পৰ্ক থকাটো আৱশ্যক।

*(iv)* যিটো ভাড়া 'ভাড়া নিয়ন্ত্ৰণ আইন'ৰ অধীনত ধাৰ্য কৰা হয় তাক ____ ভাড়া বুলি কোৱা হয়।

*(b)* 'সঁচা' নে 'মিছা' লিখা : 1×4=4

*(i)* ভাৰতবৰ্ষত পোনপ্ৰথমে 1880 চনত ব্ৰিটিছ শাসনকৰ্ত্তাসকলৰ দ্বাৰা আয়কৰৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল।

*(ii)* আয়কৰ আইনৰ ধাৰা 10(10) গ্ৰেচুইটি প্ৰদানৰ লগত সম্পৰ্কিত।

*(iii)* বিধিগত ভৱিষ্যনিধিৰ ব্যৱস্থা 1925 চনৰ পৰা আৰম্ভ কৰা হয়।

*(iv)* স্থানীয় কৰ্তৃপক্ষৰ দ্বাৰা ধাৰণ কৰা গৃহ-সম্পত্তিৰ পৰা হোৱা আয় কৰমুক্ত হ'ব।

**2.** তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : 4×4=16

(a) ভাৰতীয় আয়কৰৰ বৈশিষ্ট্যসমূহ

(b) এটা কোম্পানীৰ আৱাসিক স্থিতি

(c) কৰ ছুটি

(d) শিক্ষা বানচ

(e) গৃহ-সম্পত্তিৰ বাৰ্ষিক মূল্য

**3.** (a) 'আয়কৰ' কি? ভাৰতবৰ্ষত আয়কৰৰ ইতিহাসৰ ওপৰত এটি চমু টোকা লিখা। 2+12=14

*অথবা*

(b) আৱাসিক স্থিতিৰ ওপৰত ভিত্তি কৰি কৰদাতাসকলৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? এজন ব্যক্তি আৰু এটা প্ৰতিষ্ঠানৰ আৱাসিক স্থিতি তুমি কেনেদৰে নিৰ্ধাৰণ কৰিবা? 2+6+6=14

**4.** (a) 1961 চনৰ আয়কৰ আইনৰ 10 ধাৰাত উল্লেখ কৰা যি কোনো চৈধ্যটো কৰমুক্ত আয়সমূহৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা। 14

*অথবা*

(b) 1961 চনৰ আয়কৰ আইন অনুযায়ী ধাৰা 10AAৰ অন্তৰ্গত বিশেষ অৰ্থনৈতিক অঞ্চলত নতুনকৈ স্থাপিত হোৱা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত পাব পৰা বাদ দিয়া বিষয়বোৰৰ ক্ষেত্ৰত প্ৰযোজ্য বিশেষ চৰ্তসমূহ আলোচনা কৰা। 14





**5.** (a) মিচেছ বিনিতা এগৰাকী মাৰ্কেটিং বিষয়া হিচাপে বিজয়ৱাড়াৰ গেলেক্সি লিমিটেডত কৰ্মৰতা আছিল। তেখেতে 31.07.2019 তাৰিখে চাকৰিৰ পৰা ইস্তফা দিয়ে। তেখেতৰ দৰমহাৰ বিৱৰণ আছিল এনেধৰণৰ :

মূল দৰমহা—50,000 টকা প্ৰতি মাহে
মৰগীয়া বানচ—25,000 টকা প্ৰতি মাহে
মহানগৰীয় ক্ষতিপূৰণ বানচ—1,000 টকা প্ৰতি মাহে
যাতায়াত বানচ—2,000 টকা প্ৰতি মাহে

তেওঁ এই বানচৰ 75% ধন নিজৰ কৰ্তব্য পালনৰ বাবে খৰছ কৰা হৈছে বুলি দাবী কৰে।

01.08.2019 তাৰিখৰ পৰা তেখেতে হায়দৰাবাদত থকা চানৰাইজ লিমিটেডত যোগদান কৰে। নতুন নিয়োগকাৰীৰ পৰা প্ৰাপ্ত হোৱা তেওঁৰ দৰমহাৰ বিৱৰণ এনেধৰণৰ আছিল :

মূল দৰমহা—54,000 টকা প্ৰতি মাহে
মৰগীয়া বানচ—27,000 টকা প্ৰতি মাহে
মহানগৰীয় ক্ষতিপূৰণ বানচ—1,400 টকা প্ৰতি মাহে
ঘৰ ভাড়া বানচ—16,000 টকা প্ৰতি মাহে
(তেওঁ প্ৰতি মাহে 24,000 টকা হিচাপে ভাড়া আদায় দিছিল)

তেওঁ আৰু তেওঁৰ দুয়োগৰাকী নিয়োগকাৰীয়ে দৰমহাৰ 14% ধন স্বীকৃতিপ্ৰাপ্ত ভৱিষ্যনিধিত অৱদান দিয়ে।

দৰমহা মাহৰ শেষৰ দিনা দেয় হয় বুলি ধৰি মিচেছ বিনিতাৰ 2020–21 কৰ নিৰ্ধাৰণ বৰ্ষৰ বাবে দৰমহাৰ পৰা হোৱা আয়ৰ পৰিমাণ নিৰ্ণয় কৰা। 14

অথবা

(b) 1961 চনৰ আয়কৰ আইন অনুসৰি তলত দিয়া বিষয়বোৰ চমুকৈ ব্যাখ্যা কৰা : 3½×4=14

(i) স্বীকৃতিপ্ৰাপ্ত নোহোৱা ভৰিষ্যনিধি

(ii) অৱসৰকালীন পেনচনৰ একত্ৰিত মূল্য

(iii) ছুটিক নগদ ধনত ৰূপান্তৰকৰণ

(iv) মুঠ দৰমহাৰ পৰা বাদ দিব পৰা বিষয়সমূহ (16নং ধাৰা)

6. (a) মিষ্টাৰ জয়ন্ত দত্ত এটা ডাঙৰ ঘৰৰ স্বত্বাধিকাৰী যিটো ঘৰ তিনিটা সমান আৰু স্বতন্ত্ৰ ইউনিটত বিভক্ত। ইউনিট–I প্ৰতি মাহে 8,000 টকা হিচাপে ভাড়াত দিয়া হয়। ইউনিট–II মালিকে নিজৰ ব্যৱসায়ৰ বাবে ব্যৱহাৰ কৰে। অন্য হাতে ইউনিট–III মালিকে নিজৰ থাকিবৰ বাবে ব্যৱহাৰ কৰে।

ঘৰটোৰ অন্যান্য বিৱৰণ তলত উল্লেখ কৰা হ'ল :

| | টকা |
|---|---|
| পৌৰ ভাড়াগত মূল্য | 1,50,000 |
| ন্যায্য ভাড়াগত মূল্য | 1,95,000 |
| ভাড়া নিয়ন্ত্ৰিত আইন অনুসৰি মানগত ভাড়া | 1,86,000 |
| পৌৰ কৰ | 15,000 |
| মেৰামতি ব্যয় | 12,000 |
| ঋণৰ ওপৰত সুত | 60,000 |





ইউনিট–I দুমাহৰ বাবে খালী হৈ আছিল আৰু এজন ভাড়াতীয়াৰ পৰা এমাহৰ ভাড়া প্ৰাপ্ত নহ'ল। মিষ্টাৰ দত্তই তেওঁৰ ব্যৱসায়ৰ পৰা অৰ্জিত লাভৰ ধন কোনোধৰণৰ ব্যৱসায়িক খৰছ কৰ্তন নকৰাকৈ নিজৰ ব্যৱসায়তে ব্যৱহাৰ কৰে 2,00,000 টকা।

মিষ্টাৰ জয়ন্ত দত্তৰ গৃহ-সম্পত্তি শিতানত হোৱা আয়ৰ পৰিমাণ 2020–21 কৰ নিৰ্ধাৰণ বৰ্ষৰ বাবে নিৰ্ণয় কৰা। 14

অথবা

(b) 1961 চনৰ আয়কৰ আইন অনুসৰি বিভিন্ন শ্ৰেণীৰ গৃহ-সম্পত্তিৰ ক্ষেত্ৰত 'গৃহ-সম্পত্তিৰ পৰা প্ৰাপ্ত আয়' নিৰূপণ সম্পৰ্কীয় বিধানসমূহ আলোচনা কৰা। 14

## ( Old Course )

*Full Marks* : 80

*Pass Marks* : 32

**1.** *(a)* Answer the following questions directly : 1×4=4

*(i)* Who is an assessee?

*(ii)* What is 'tax holiday'?

*(iii)* What do you mean by 'Provident Fund'?

*(iv)* What is 'fair rental value' of house property?

*(b)* Choose the correct answer from the given alternatives : 1×4=4

*(i)* Income-tax Rules are prepared by the

(1) Central Government

(2) Central Board of Direct Taxes

(3) Institute of Chartered Accountants of India

*(ii)* The full form of EPZ is

(1) Export Processing Zone

(2) Export Promoting Zone

(3) Export Protecting Zone





*(iii)* Unrecognized Provident Fund is not recognized by the

(1) Government of India

(2) Commissioner of Income Tax

(3) Inspector of Income Tax

*(iv)* Short-term capital loss can be set off from

(1) short-term capital gain only

(2) long-term capital gain only

(3) either short-term or long-term capital gain

**2.** Write short notes on any *four* of the following : 4×4=16

*(a)* Previous Year

*(b)* Tax Exemption for 100% Export-oriented Units

*(c)* Standard Deduction u/s 16(ia)

*(d)* Deemed Ownership

*(e)* Cost of Improvement

**3.** *(a)* Explain the following relating to the Income-tax Act, 1961 (any *two*) : 6×2=12

*(i)* Block of Assets

*(ii)* Assessment Year

*(iii)* Residential Status of HUF

*Or*

*(b)* "The incidence of income tax depends upon the residential status of an assessee." Explain this statement. 12

**4.** *(a)* Explain in brief various incomes which are exempt from tax u/s 10 of the Income-tax Act, 1961. 11

*Or*

*(b)* Explain the following : 6+5=11

*(i)* Special provisions in respect of newly established units in Special Economic Zones

*(ii)* Carry forward and set off of unabsorbed expenses related to Tax Holiday Period

**5.** *(a)* Explain in brief the following items as per the Income-tax Act, 1961 (any *two*) : 5½×2=11

*(i)* Public Provident Fund

*(ii)* Deductions u/s 80C out of Gross Total Income

*(iii)* House Rent Allowance





*Or*

*(b)* From the following particulars, find out the taxable salary of Mr. Jadav Khaund working at Coimbatore [Population 11 lakhs] for the Assessment Year, 2020–21 : 11

*(i)* Salary—₹ 12,000 p.m.

*(ii)* Dearness Allowance @ 100% of salary

*(iii)* Employer's contribution to Employee's Recognized Provident Fund—14% of basic salary

*(iv)* Rent-free accommodation (unfurnished)—Fair rental value is ₹ 80,000 p.a.

*(v)* Interest on Provident Fund balance @ 13% p.a.—₹ 3,900

*(vi)* A car (1·4 lt capacity) is provided by employer. All expenses are borne by employer. It is used both for performance of duties and private purposes. Car was used by employee for only 11 months during the year

*(vii)* He paid professional tax of ₹ 1,200

*(viii)* He received ₹ 500 p.m. as fixed medical allowance

**6.** *(a)* Define 'annual value'. How is it determined? What deductions are allowed from the annual value in computing taxable income from house property? 2+4+5=11

*Or*

*(b)* Mr. Nilutpal is the owner of two houses. The information regarding the houses are as under :

| | *House—A* | *House—B* |
|---|---|---|
| Date of completion | 01.06.2019 | 01.08.2019 |
| Standard rent (in ₹) | 30,000 p.a. | — |
| Fair rental value (in ₹) | 24,000 p.a. | 48,000 p.a. |
| Municipal rental value (in ₹) | 24,000 p.a. | 40,000 p.a. |
| Ground rent (in ₹) | 500 p.m. | 1,000 p.m. |
| Municipal tax (in ₹) | 2,400 p.a. | 2,200 p.a. |
| Fire Insurance Premium (in ₹) | 1,000 p.a. | 1,000 p.a. |
| Actual rent (in ₹) | 30,000 p.a. | Self-occupied |
| Vacancy | 1 month | — |
| Bonafied unrealized rent (in ₹) | 2,500 | — |

Interest on loan for the construction of the house :

| | *House—A* ₹ | *House—B* ₹ |
|---|---|---|
| 2016–17 | 8,000 | 22,000 |
| 2017–18 | 8,000 | 22,000 |
| 2018–19 | 6,000 | 22,000 |
| 2019–20 | 6,000 | 14,000 |

Compute Income from House Property of Mr. Nilutpal for the Assessment Year, 2020–21. 11





**7.** *(a)* Define 'capital gain'. Discuss the procedure for computation of capital gains as prescribed by the Income-tax Act, 1961. 3+8=11

*Or*

*(b)* Mr. Anurag received the following gifts during the Previous Year, 2019–20 :

*(i)* He received a gift in cash of ₹ 20,000 from his uncle on 30.06.2019

*(ii)* He received a cheque of ₹ 30,000 as a gift from his brother on 10.11.2019

*(iii)* He received a gift of ₹ 21,000 on his wedding from Mr. *X* on 01.12.2019

*(iv)* He received ₹ 25,000 as gift from his non-resident friend Mr. *Y* on 30.12.2018

*(v)* He received a gift of ₹ 51,000 from his brother-in-law on 31.01.2020

*(vi)* He received ₹ 5,000 from Mr. *Z*, his resident friend on 15.02.2020

Calculate the amount of taxable gifts chargeable under the head 'Income from Other Sources'. 11

[ ASSAMESE VERSION ]

**1.** *(a)* তলত দিয়া প্ৰশ্নবোৰৰ পোনপতীয়াকৈ উত্তৰ দিয়া : 1×4=4

*(i)* কৰদাতা কোন ?

*(ii)* 'কৰছুটি' কি ?

*(iii)* 'ভৱিষ্যনিধি' বুলিলে কি বুজা ?

*(iv)* গৃহ-সম্পত্তিৰ 'ন্যায্য ভাড়া' কি ?

*(b)* তলত দিয়া বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাচি উলিওৱা : 1×4=4

*(i)* আয়কৰৰ নিয়মবোৰ প্ৰস্তুত কৰে

(1) কেন্দ্ৰীয় চৰকাৰে

(2) প্ৰত্যক্ষ কৰৰ কেন্দ্ৰীয় বোৰ্ডে

(3) ইন্সটিটিউট অৱ চাৰ্টাৰ্ড একাউণ্টেণ্ট অৱ ইণ্ডিয়াই

*(ii)* EPZ ৰ পূৰ্ণ ৰূপটো হৈছে

(1) Export Processing Zone

(2) Export Promoting Zone

(3) Export Protecting Zone

*(iii)* অস্বীকৃতিপ্ৰাপ্ত ভৱিষ্যনিধি স্বীকৃতিপ্ৰাপ্ত নহয়

(1) ভাৰত চৰকাৰৰ দ্বাৰা

(2) আয়কৰ আয়ুক্তৰ দ্বাৰা

(3) আয়কৰ পৰিদৰ্শকৰ দ্বাৰা





*(iv)* হ্ৰস্বম্যাদী মূলধনী ক্ষতি অৱলোপিত কৰিব পাৰি

(1) হ্ৰস্বম্যাদী মূলধনী লাভৰ পৰা মাত্ৰ

(2) দীৰ্ঘম্যাদী মূলধনী লাভৰ পৰা মাত্ৰ

(3) হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী মূলধনী আয়ৰ যি কোনোৰে পৰা

**2.** তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : 4×4=16

*(a)* বিগত বৰ্ষ

*(b)* 100% ৰপ্তানিকৃত গোটৰ বাবে কৰ ৰেহাই

*(c)* ধাৰা 16(ia) ৰ মানগত কৰ কৰ্তন

*(d)* মানি লোৱা মালিকিস্বত্ব

*(e)* উন্নিতকৰণ ব্যয়

**3.** *(a)* 1961 চনৰ আয়কৰ আইন অনুসৰি তলত দিয়া বিষয়বোৰ ব্যাখ্যা কৰা (যি কোনো দুটা) : 6×2=12

*(i)* সম্পত্তিৰ খণ্ডগোট

*(ii)* কৰ বৰ্ষ

*(iii)* অবিভক্ত হিন্দু পৰিয়ালৰ আৱাসিক স্থিতি

*অথবা*

*(b)* ''আয়কৰৰ বোজা কৰদাতাৰ আৱাসিক স্থিতিৰ ওপৰত নিৰ্ভৰ কৰে।'' এই উক্তিটো ব্যাখ্যা কৰা। 12

**4.** *(a)* 1961 চনৰ আয়কৰ আইনৰ 10 নং ধাৰাত উল্লেখ কৰা কৰমুক্ত আয়সমূহৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা। 11

অথবা

(b) তলত দিয়াবোৰ ব্যাখ্যা কৰা : 6+5=11

(i) বিশেষ অৰ্থনৈতিক অঞ্চলত নতুনকৈ স্থাপিত হোৱা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত প্ৰযোজ্য বিশেষ ব্যৱস্থাসমূহ

(ii) কৰ ছুটিৰ সময়ৰ লগত সম্পৰ্ক থকা অশোধিত ব্যয়সমূহক আগলৈ নিয়া আৰু অৱলোপিত কৰা নিয়মসমূহ

5. (a) 1961 চনৰ আয়কৰ আইন অনুসৰি তলত দিয়া বিষয়বোৰ চমুকৈ ব্যাখ্যা কৰা (যি কোনো দুটা) : 5½×2=11

(i) ৰাজহুৱা ভৱিষ্যনিধি

(ii) সৰ্বমুঠ আয়ৰ পৰা 80C ধাৰাৰ অন্তৰ্গত কৰ্তন হোৱা বিষয়সমূহ

(iii) ঘৰ ভাড়া বানচ

অথবা

(b) তলত দিয়া বিৱৰণৰ পৰা কইম্বাটুৰত কৰ্মৰত (জনসংখ্যা 11 লাখ) মিষ্টাৰ যাদৱ খাউন্ডৰ 2020–21 কৰ বৰ্ষৰ বাবে কৰযোগ্য দৰমহা নিৰ্ধাৰণ কৰা : 11

(i) মাহিলি দৰমহা—12,000 টকা

(ii) মৰগীয়া বানচ—দৰমহাৰ 100% দৰত

(iii) কৰ্মচাৰীৰ স্বীকৃতিপ্ৰাপ্ত ভৱিষ্যনিধিলৈ নিয়োগকৰ্তাৰ অৱদান—মূল দৰমহাৰ 14% ধন

(iv) কৰমুক্ত আৱাস ব্যৱস্থা (আচবাববিহীন)—ন্যায্য কৰ মূল্যৰ পৰিমাণ বছৰি 80,000 টকা

(v) ভৱিষ্যনিধিৰ ধনৰ স্থিতিৰ ওপৰত বছৰি সুতৰ হাৰ 13% হিচাপে—3,900 টকা





(vi) এটা গাড়ী (1·4 লি. ক্ষমতা সম্পন্ন) নিয়োগকৰ্তাৰ দ্বাৰা সুবিধা কৰি দিয়া হয়। ইয়াৰ সমস্ত খৰছ নিয়োগকৰ্তাই বহন কৰে। গাড়ীখন কৰ্মচাৰীজনে কাৰ্যালয় আৰু ব্যক্তিগত দুয়ো উদ্দেশ্যে ব্যৱহাৰ কৰে। বছৰটোৰ ভিতৰত মাত্ৰ 11 মাহহে কৰ্মচাৰীজনে গাড়ীখন ব্যৱহাৰ কৰিছিল

(vii) তেওঁ 1,200 টকা বৃত্তিগত কৰ আদায় দিছিল

(viii) তেওঁ মাহিলি 500 টকা হিচাপে স্থিৰ চিকিৎসা বানচ লাভ কৰিছিল

6. (a) 'বাৰ্ষিক মূল্য'ৰ সংজ্ঞা দিয়া। ইয়াক কেনেদৰে নিৰ্ধাৰণ কৰা হয়? গৃহ-সম্পত্তিৰ পৰা হোৱা কৰযোগ্য আয় নিৰ্ণয় কৰিবৰ বাবে ইয়াৰ বাৰ্ষিক মূল্যৰ পৰা কৰ্তন হ'ব পৰা বিষয়বোৰ কি কি? 2+4+5=11

অথবা

(b) মিষ্টাৰ নিলোৎপল দুটা গৃহ-সম্পত্তিৰ মালিক। গৃহ-সম্পত্তিৰ তথ্যসমূহ তলত দিয়া হ'ল :

| | গৃহ—A | গৃহ—B |
|---|---|---|
| নিৰ্মাণ সম্পূৰ্ণ হোৱা তাৰিখ | 01.06.2019 | 01.08.2019 |
| মানগত ভাড়া (টকাত) | বছৰি 30,000 | — |
| ন্যায্য ভাড়া মূল্য (টকাত) | বছৰি 24,000 | বছৰি 48,000 |
| পৌৰ ভাড়া মূল্য (টকাত) | বছৰি 24,000 | বছৰি 40,000 |
| ভূ-স্থলীৰ ভাড়া (টকাত) | মাহিলি 500 | মাহিলি 1,000 |
| পৌৰ কৰ (টকাত) | বছৰি 2,400 | বছৰি 2,200 |
| অগ্নিবীমা অধিহাৰ (টকাত) | বছৰি 1,000 | বছৰি 1,000 |
| প্ৰকৃত ভাড়া (টকাত) | বছৰি 30,000 | স্ব-নিয়োজিত |
| খালী থকা সময় | 1 মাহ | — |
| প্ৰকৃত অনাদায়ী ভাড়া (টকাত) | 2,500 | — |

গৃহ নিৰ্মাণৰ বাবে লোৱা ঋণৰ ওপৰত সুতৰ পৰিমাণ :

| | গৃহ—*A* টকা | গৃহ—*B* টকা |
|---|---|---|
| 2016–17 | 8,000 | 22,000 |
| 2017–18 | 8,000 | 22,000 |
| 2018–19 | 6,000 | 22,000 |
| 2019–20 | 6,000 | 14,000 |

2020–21 কৰ বৰ্ষৰ বাবে মিষ্টাৰ নিলোৎপলৰ গৃহ-সম্পত্তিৰ পৰা হোৱা আয়ৰ পৰিমাণ নিৰ্ণয় কৰা। 11

**7.** *(a)* 'মূলধনী আয়'ৰ সংজ্ঞা দিয়া। মূলধনী লাভ-সংক্ৰান্ত আয় নিৰ্ধাৰণৰ বাবে 1961 চনৰ আয়কৰ আইনৰ ব্যৱস্থাসমূহ আলোচনা কৰা। 3+8=11

*অথবা*

*(b)* মিষ্টাৰ অনুৰাগ 2019–20 বিগত বৰ্ষত তলত দিয়া উপহাৰসমূহ লাভ কৰিছিল :

*(i)* তেওঁ 30.06.2019 তাৰিখে নিজৰ খুড়াৰ পৰা নগদ 20,000 টকা উপহাৰ হিচাপে লাভ কৰিছিল

*(ii)* তেওঁ 10.11.2019 তাৰিখে নিজৰ ভায়েকৰ পৰা 30,000 টকা ধনাদেশৰ দ্বাৰা লাভ কৰিছিল

*(iii)* তেওঁ 01.12.2019 তাৰিখে মিষ্টাৰ *X*-ৰ পৰা 21,000 টকা তেওঁৰ বিবাহৰ দিনা উপহাৰ হিচাপে লাভ কৰিছিল

*(iv)* তেওঁ 30.12.2018 তাৰিখে নিজৰ অপ্ৰবাসী বন্ধু মিষ্টাৰ *Y*ৰ পৰা 25,000 টকা উপহাৰ হিচাপে লাভ কৰিছিল



( Continued )



*(v)* তেওঁ 31.01.2020 তাৰিখে নিজৰ খুলশালিয়েকৰ পৰা 51,000 টকা উপহাৰ হিচাপে লাভ কৰিছিল

*(vi)* তেওঁ 15.02.2020 তাৰিখে তেওঁৰ প্ৰৱাসী বন্ধু মিষ্টাৰ *Z*ৰ পৰা 5,000 টকা উপহাৰ হিচাপে লাভ কৰিছিল

'অন্য উৎসৰ পৰা হোৱা আয়' শিতানৰ অন্তৰ্গত কৰযোগ্য উপহাৰৰ পৰিমাণ নিৰ্ণয় কৰা। 11

★★★